# 63/1 (SEM–2) ASM CS 2026 (CS 2)

## 2022

## ASSAMESE

Paper : CS–2

**( Introduction to Assamese Poetry and Drama )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ প্ৰশ্নৰ উত্তৰ দিয়া : ১×৬=৬

(ক) 'জ্ঞান মালিনী'ৰ কবি কোন?

(খ) 'নামঘোষা'ৰ আন এটা নাম কি?

(গ) নৱকান্ত বৰুৱাই কি ছদ্মনামেৰে সাহিত্য চৰ্চা কৰিছিল?

(ঘ) 'সুগন্ধি পখিলা'ৰ কবি কোন?

(ঙ) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবিসকলৰ কবিতাৰ ঘাই উপাদান কি আছিল?

(চ) অমিত্ৰাক্ষৰ ছন্দত ৰচিত প্ৰথমখন অসমীয়া কাব্যৰ নাম কি?

২। চমুকৈ প্ৰশ্নৰ উত্তৰ দিয়া : ২×৫=১০

(ক) নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) শংকৰদেৱ-মাধৱদেৱৰ পিছত নৱ-বৈষ্ণৱ সাহিত্যৰ ধাৰাবাহিকতা ৰক্ষা কৰা দুজন কবিৰ নাম লিখা।

(গ) 'জোনাকী' যুগৰ ত্ৰিমূৰ্ত্তি কোন?

(ঘ) কবিয়ে 'মালতী' কবিতাটোত মালতীক কাৰ লগত তুলনা কৰিছে?

(ঙ) শ্ৰীধৰ কন্দলিৰ দ্বাৰা ৰচিত দুখন পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৬=৩০

(ক) "নব্য নাটক হ'ল ঘটনা বা ক্ৰিয়াপ্ৰধান, সংঘাত এই নাটকৰ প্ৰাণস্বৰূপ।" কথাষাৰ আলোচনা কৰা।

(খ) নোৱেল কাওৱাৰ্ডৰ কোনখন নাটকৰ সৈতে আৰু কি ধৰণৰ সাদৃশ্য 'লভিতা' নাটকত দেখা পোৱা যায়?

(গ) শ্ৰীধৰ কন্দলিৰ 'ঘুমটি যায়োৰে' কবিতাটোৰ মাজেদি শ্ৰীকৃষ্ণৰ মানৱীয় দিশটো কেনেদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) কৰুণা ডেকাৰ পৰিচয় দাঙি ধৰা।

(ঙ) ৰোমাণ্টিক কবিতাৰ পাঁচটা বৈশিষ্ট্য চমুকৈ আলোচনা কৰা।





(চ) কোনজন ব্যক্তিৰ স্মৃতিত অজিৎ বৰুৱাই 'দুখৰ কবিতা' ৰচনা কৰিছিল? তেওঁৰ কবিতাৰ বৈশিষ্ট্যবোৰ কি কি? চমুকৈ লিখা।

(ছ) লোকনাট্যৰ বৈশিষ্ট্যবোৰ কি কি? আলোচনা কৰা।

(জ) মফিজুদ্দিন আহমদ হাজৰিকাৰ 'দিনকণা' কবিতাটোৰ মাজেৰে নিৰাশাবাদ কিদৰে প্ৰকাশ পাইছে, উল্লেখ কৰা।

(ঝ) "দুৰ্ব্বাৰ দুঃসঙ্গ দুৰ্ব্বাসনা দুষ্ট
হৰি হৰি হৰি হৰি এ
অনাদি অবিদ্যা আপুনি ভৈলো মোহিত

উক্ত পদফাঁকিৰ মাজেৰে মাধৱদেৱে কেনেদৰে খেদ প্ৰকাশ কৰিছে, আলোচনা কৰা।

৪। তলৰ যি কোনো দুটাৰ উত্তৰ দিয়া : ১০×২=২০

(ক) "নতুন কবিতাত বিক্ষিপ্ত মনোভাৱ প্ৰকাশৰ বাবে প্ৰতীক আৰু চিত্ৰকল্প হ'ল এক প্ৰকৃষ্ট উপায়।" নৱকান্ত বৰুৱাৰ 'পলস' কবিতাটোৰ আধাৰত কথাষাৰ বিচাৰ কৰা।

(খ) 'মোৰ দেশ' কবিতাটিৰ আলমত কবি হীৰেন ভট্টাচাৰ্যৰ কাব্যিক প্ৰতিভাৰ পৰিচয় দাঙি ধৰা।

(গ) আধুনিক কবিতাৰ বিশেষত্ববোৰ উল্লেখ কৰি নিৰ্মলপ্ৰভা বৰদলৈৰ 'দ্ৰৌপদী' কবিতাত সেইবোৰ কিদৰে প্ৰতিফলিত হৈছে, বুজাই লিখা।

৫। তলৰ যি কোনো এটাৰ উত্তৰ লিখা : ১৪

(ক) "জ্যোতিপ্ৰসাদে পশ্চিমৰ পৰম্পৰামুক্ত বহু নাট্যকাৰৰ দৰেই 'লভিতা' নাটকত কাহিনী সম্পৰ্কীয় পৰম্পৰাগত ধাৰণা ভঙ্গ কৰি নব্য পৰম্পৰা এটা প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিলে।" 'লভিতা' নাটকৰ আধাৰত কথাষাৰৰ সত্যতা প্ৰতিপন্ন কৰা।

(খ) কৰুণা ডেকাৰ 'লুইত কন্যা'ক কিয় লোকনাট্যৰ মৰ্যাদা দিয়া হৈছে? যথাযথ যুক্তি সহকাৰে আলোচনা কৰা।

★★★